জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬/২০২২

## ১২-১৪ বছৰ বয়সৰ শিশুৰ বাবে ক'ভিড টিকাকৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## কোনোধৰণৰ পাৰ্শ্বক্ৰিয়া নথকা এই টিকাসমূহ সম্পূৰ্ণভাৱে সুৰক্ষিত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ মাৰ্চ ঃ** ১২-১৪ বছৰৰ ভিতৰৰ শিশুসকলৰ বাবে ক'ভিড-১৯ টিকাকৰণৰ ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰুক্মিনী গাঁও বালিকা বিদ্যালয়ত অসমৰ বাবে এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

এই অভিযানৰ সময়ত লক্ষ্য নিৰ্দ্ধাৰিত ১২-১৪ বছৰ বয়সৰ শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজ নিজ বিদ্যালয়ত বিনামূলীয়া টিকাকৰণ কৰা হ'ব। বিদ্যালয়ত টিকাকৰণ কৰিব নোৱাৰা আন শিশুৱে তেওঁলোকৰ নিকটতম চৰকাৰী ক'ভিড-১৯ টিকাকৰণ কেন্দ্ৰত টিকা গ্ৰহণ কৰিব পাৰিব। হায়দৰাবাদৰ 'বায়'লজিকেল ই লিমিটেডে' প্ৰস্তুত কৰা ক'ৰ্বেভেক্স ক'ভিড-১৯ টিকা হিচাপে প্ৰদান কৰা হ'ব।

ইয়াৰ উপৰি ৬০ বছৰৰ উৰ্দ্ধৰ সকলো ব্যক্তিয়ে সতৰ্কতামূলক পালি হিচাপে আজিৰে পৰা ক'ভিডৰ অতিৰিক্ত পালি টিকা গ্ৰহণ কৰিব পাৰিব। ৬০ বছৰৰ উৰ্দ্ধৰ ব্যক্তিসকলৰ ক্ষেত্ৰত আনুসংগিক ৰোগৰ কাৰকসমূহ পৰিহাৰ কৰা হৈছে। দ্বিতীয় পালি টিকা গ্ৰহণৰ ৯ মাহৰ পিছত (৩৬ সপ্তাহ) এই সতৰ্কতামূলক পালি ল'ব পাৰিব। মুখ্যমন্ত্ৰীয়ে সকলো যোগ্য হিতাধিকাৰীকে টিকাকৰণৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে সকলো অভিভাৱককে আশ্বাস প্ৰদান কৰি কয় যে এই টিকা তেওঁলোকৰ সন্তানৰ বাবে সম্পূৰ্ণ সুৰক্ষিত আৰু ইয়াৰ পাৰ্শ্বক্ৰিয়া নাই। শিশুসকলৰ স্বাভাৱিকতে ৰোগ প্ৰতিৰোধৰ ক্ষমতা থাকে। তেওঁলোকক ক'ভিড-১৯ ৰ বিভিন্ন বিকশিত প্ৰকাৰৰ বিৰুদ্ধে যুজ দিবলৈ টিকাকৰণ কৰিব লাগে বুলিও তেওঁ কয়।

খালী পেটত টিকা গ্ৰহণ নকৰিবলৈ পৰামৰ্শ দি মুখ্যমন্ত্ৰীয়ে বিদ্যালয়সমূহক টিকাকৰণৰ দিনবোৰত অলপ আগতীয়াকৈ মধ্যাহ্ন ভোজন প্ৰস্তুত কৰিবলৈ আহ্বান জনায় যাতে টিকাকৰণৰ পূৰ্বে খাদ্য গ্ৰহণ কৰিব পাৰে। ক'ভিড-১৯ ৰ তিনিওটা ঢৌ পৰিচালনাৰ দিশত অসমে যথেষ্ট ভাল প্ৰদৰ্শন কৰিব পাৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ৪ কোটি ৩৬ লাখ পালি ক'ভিড টিকা প্ৰদান কৰা হৈছে। তেওঁ ৰাজ্যখনত ক'ভিড টিকাকৰণ অভিযান সফল কৰাৰ বাবে চিকিৎসক, নাৰ্ছ আৰু সকলো স্বাস্থ্যকৰ্মীৰ প্ৰচেষ্টাৰ শলাগ লয়।

স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত আৰু দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাইও ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

**স্বাক্ষৰ / পুঃডেঃ**
**১৬-০৩-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in